জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১০৭/২০২২

## কাব্যঋষি নীলমণি ফুকনক ২০২১ বৰ্ষৰ জ্ঞানপীঠ বঁটা প্ৰদান

### উপমা, চিত্ৰকল্প আৰু প্ৰতীকৰ ব্যৱহাৰেৰে নীলমণি ফুকনে অসমীয়া কাব্য সাহিত্যত এক সুকীয়া পৰিচয় আৰোপ কৰাৰ লগতে এক নিজা ব্যঞ্জনাৰ সূচনা কৰিছে ঃ মুখ্যমন্ত্ৰী

### পৰিয়ালৰ অনুমতি সাপেক্ষে অসম প্ৰকাশন পৰিষদৰ দ্বাৰা নীলমণি ফুকনৰ সৃষ্টিৰাজি বিভিন্ন ভাষালৈ অনুবাদ কৰাৰ উদ্যোগ গ্ৰহণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত দেশৰ সাহিত্য ক্ষেত্ৰৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটা 'গোলাপী জামুৰ লগ্ন'ৰ কবি নীলমণি ফুকনক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উল্লেখ্য যে ৰাজ্যত প্ৰথমবাৰৰ বাবে জ্ঞানপীঠ বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হৈছে। প্ৰসিদ্ধ কবি নীলমণি ফুকনে ২০২১ চনৰ বাবে এই সন্মানীয় বঁটা লাভ কৰিছে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজ হাতে ৫৬ সংখ্যক সন্মানীয় জ্ঞানপীঠ বঁটা ঋষিতুল্য কবিগৰাকীক তুলি দিবলৈ এক অবিস্মৰণীয় সুযোগ লাভ কৰি অতিকৈ আনন্দিত হৈছে বুলি মন্তব্য কৰি কয় যে নীলমণি ফুকনৰ এই প্ৰাপ্তিয়ে আজি প্ৰতিগৰাকী অসমবাসীক আনন্দিত আৰু গৌৰৱান্বিত কৰিলে। অসমৰ সাহিত্য আৰু সমাজ জীৱনৰ বাবে আজি এক আনন্দ আৰু গৌৰৱৰ দিন।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতৰ সৰ্বোচ্চ সাহিত্যিক সন্মান জ্ঞানপীঠত অসমৰ আলোকযাত্ৰাৰ বাট কাটিছিল বিশিষ্ট অসমীয়া ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ১৯৭৯ চনত। তেখেতে প্ৰথমগৰাকী অসমীয়া সাহিত্যিক হিচাপে জ্ঞানপীঠ বঁটা লাভ কৰিছিল। তাৰ সুদীৰ্ঘ দুই দশক বিৰতিৰ অন্তত ২০০০ চনত দ্বিতীয়গৰাকী অসমীয়া সাহিত্যিক হিচাপে মামণি ৰয়ছম গোস্বামীয়ে লাভ কৰিছিল জ্ঞানপীঠ বঁটা। সৰ্বসাধাৰণ মানুহৰ জীৱনৰ অভিজ্ঞতাক জীৱন্তৰূপত সাহিত্যত ফুটাই তুলিব পৰা মামণি ৰয়ছম গোস্বামী আছিল এগৰাকী অসামন্য প্ৰতিভাসম্পন্ন লেখিকা। মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া সাহিত্যৰ সেই সোণসেৰীয়া ইতিহাসৰ দুটা দশকৰ বিৰতিত পুনৰাবৃত্তি ঘটিছে আৰু পুনৰ দুটা দশকৰ বিৰতিৰ মূৰত নীলমণি ফুকনে জ্ঞানপীঠ বঁটা লাভ কৰি অসম মাতৃৰ গৰিমা অধিক প্ৰৌজ্জ্বল কৰিলে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে সাহিত্যৰ আটাইতকৈ নান্দনিক তথা সুকোমল অংশটোৱেই হৈছে কবিতা। কবিতা ছন্দোবদ্ধ

সাহিত্য। পৃথিৱীৰ আদিমতম কবিতাটো ওলাইছিল মহামুণি বাল্মিকীৰ মুখৰ পৰা। পুন্যতোয়া তমসা নৈৰ পাৰত এহালি ক্ৰৌঞ্চ পখীয়ে ধেমালি কৰি থকা অৱস্থাত এক নিষ্ঠুৰ ব্যাধৰ শৰত তাৰে এটা নিহত হোৱা দেখি বাল্মিকী মুণিৰ মুখেৰে হঠাৎ ওলাইছিল 'মা নিষাদ' শীৰ্ষক এটা ছন্দোবদ্ধ শ্লোক। সেই শ্লোকটোৱে আছিল পৃথিৱীৰ আদিমতম কবিতা। তেওঁ কয় যে যিহেতু ঋষিৰ শোকৰ পৰা এই ছন্দোবদ্ধ শাৰীটোৰ উৎপত্তি হৈছিল সেয়ে তাক কোৱা হ'ল শ্লোক। সৃষ্টিৰ সেই প্ৰথম প্ৰহৰৰ পৰাই শোক অথবা কাৰুণ্য কবিতাৰ এটা উপজীব্য বিষয় এই কথা কবি নীলমণি ফুকনৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য।

মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে কবি ফুকনৰ বহু কবিতাৰ জন্ম হৈছিল তেখেতৰ হৃদয় মথিত কৰা শোক বা কাৰুণ্যৰ ভাবৰ পৰা। ওৰেটো জীৱন কবিতা আৰু গদ্যৰ জগতত মগ্ন হৈ নীলমণি ফুকনদেৱে আধুনিক অসমীয়া সাহিত্যত এক নতুন আয়তন যোগ দিবলৈ সক্ষম হৈছে। তেখেতৰ নিৰৱচ্ছিন্ন সাহিত্য চৰ্চাই অসমীয়া সাহিত্যত সংযোগ ঘটাইছে ৯ খনকৈ মৌলিক কাব্যগ্ৰন্থৰ। ইয়াৰ উপৰি জাপানী কবিতা, চীনা কবিতা শীৰ্ষক অনুবাদ কাব্য সংকলনেৰে কবি ফুকনে অসমীয়া কাব্য সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। ড° শৰ্মাই কয় যে কাব্যৰীতিৰ অন্যতম উপাদান উপমা, চিত্ৰকল্প আৰু প্ৰতীকৰ ব্যৱহাৰেৰে নীলমণি ফুকনে অসমীয়া কাব্য সাহিত্যত এক সুকীয়া পৰিচয় আৰোপ কৰাৰ লগতে এক নিজা ব্যঞ্জনাৰ সূচনা কৰিছে। কবিতাৰ মাজেৰে তেখেতে অনুসন্ধান কৰে জীৱন, যৌৱন, প্ৰেম, আনন্দ, চৰাচৰ বিশ্বৰ ৰহস্য, প্ৰকৃতি আদিৰ লগতে আৰু বিভিন্ন বিষয়। এইগৰাকী ঋষিতুল্য কবিক জ্ঞানপীঠ সন্মান প্ৰদান কৰি সাহিত্য ক্ষেত্ৰলৈ তেখেতে আগবঢ়োৱা অৱদানক যিদৰে ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদান কৰা হ'ল, তাৰ যোগেৰে অসমীয়া সাহিত্যত এটা নতুন উদ্দীপনা সঞ্চাৰ হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত তেওঁ লগতে কয় যে নীলমণি ফুকনৰ দৰে প্ৰবাদপ্ৰতীম কবি এগৰাকীৰ সাহিত্যকৃতি কেৱল দেশৰ চাৰিবেৰৰ ভিতৰতে সীমাবদ্ধ হৈ থকাটো উচিত নহয়। বিশ্ব সাহিত্যৰ উৎকৃষ্ট গ্ৰন্থৰাজি পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুদিত হৈ বিশ্ব পাঠকৰ কাষ চপাৰ সুযোগ পাইছে। সেয়ে এইগৰাকী পুৰোধা কবিৰ পৰিয়ালে যদি অনুমতি দিয়ে তেনেহ'লে অসম প্ৰকাশ পৰিষদে তেখেতৰ সৃষ্টিৰাজি বিভিন্ন ভাষালৈ অনুবাদ কৰাৰ উদ্যোগ গ্ৰহণ কৰিব।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়াই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, জ্ঞানপীঠ বাছনি সমিতিৰ অধ্যক্ষা প্ৰতিভা ৰয়কে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**পুঃডেঃ**
**১১-০৪-২০২২**